ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# হিন্দু উত্তৰাধিকাৰ অধিনিয়ম, ১৯৫৬

(১৯৫৬ ৰ ৩০ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Hindu Succession Act, 1956

(Act No. 30 of 1956)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান হিন্দু উত্তৰাধিকাৰ অধিনিয়ম, ১৯৫৬ (১৯৫৬ৰ ৩০ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ–৬, অনুভাগ–১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৩৩ৰ পৰা ৪২ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

# PREFACE

This edition of the Hindu Succession Act, 1956 (30 of 1956) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on Pages 33 to 42.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date—23-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

# হিন্দু উত্তৰাধিকাৰ অধিনিয়ম, ১৯৫৬

ধাৰা সমূহৰ ক্ৰম

## অধ্যায় ১

প্ৰাৰম্ভিক

ধাৰাসমূহ—


১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

২। অধিনিয়মৰ প্ৰয়োগ।

৩। পৰিভাষা আৰু নিৰ্বচন সমূহ।

৪। অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ।


## অধ্যায়—২

ইচ্ছাপত্ৰবিহীন উত্তৰাধিকাৰ

সাধাৰণ


৫। অধিনিয়মখন কিছুমান সম্পত্তিত নাখাটিব।

৬। সহদায়ী সম্পত্তিত থকা স্বাৰ্থৰ অৱগমন।

৭। তাৰৱাড, তাবাজী, কুটুম্ব, কাবাৰু বা ইল্লমৰ সম্পত্তিত থকা স্বাৰ্থৰ অৱগমন।

৮। পুৰুষৰ ক্ষেত্ৰত অৱগমনৰ সাধাৰণ নিয়ম।

৯। অনুসূচীত ভুক্ত ব্যক্তি সকলৰ মাজত উত্তৰাধিকাৰৰ ক্ৰম।

১০। অনুসূচীত শ্ৰেণী ১ ভুক্ত ব্যক্তি সকলৰ মাজত সম্পত্তিৰ বিতৰণ।

১১। অনুসূচীত শ্ৰেণী ২ ভুক্ত ব্যক্তি সকলৰ মাজত সম্পত্তিৰ বিতৰণ।

১২। গোত্ৰজসকল আৰু বন্ধুসকলৰ মাজত উত্তৰাধিকাৰৰ ক্ৰম।

১৩। মাত্ৰাৰ সংগণনা।

১৪। হিন্দু নাৰীৰ সম্পত্তি তেওঁৰ পকাপকি নিজা সম্পত্তি।

১৫। হিন্দু নাৰীৰ ক্ষেত্ৰত উত্তৰাধিকাৰৰ সাধাৰণ নিয়ম।

১৬। হিন্দু নাৰীৰ ব্যক্তি সকলৰ মাজত বিতৰণৰ উত্তৰাধিকাৰ ক্ৰম আৰু প্ৰণালী।

১৭। মৰুমাক্কাট্ৰয়ম আৰু এলীয়া সন্তান বিধিৰ দ্বাৰা শাসিত ব্যক্তি সকলৰ বিষয়ত বিশেষ উপবন্ধ।


উত্তৰাধিকাৰ বিষয়ত সাধাৰণ উপবন্ধসমূহ


১৮। অৰ্দ্ধৰক্তৰ ওপৰত পূৰ্ণ ৰক্তই অগ্ৰাধিকাৰ পাব।

১৯। দুই বা অধিক ব্যক্তিৰ উত্তৰাধিকাৰৰ ধৰণ।

২০। গৰ্ভস্থ সন্তানৰ অধিকাৰ।

২১। একে সময়তে হোৱা মৃত্যুৰ ক্ষেত্ৰত পূৰ্বৰ ধাৰণা।

২২। কিছুমান ক্ষেত্রত সম্পত্তি আহৰণ কৰাৰ অগ্ৰমান্য অধিকাৰ ।
২৩। নিবাস গৃহৰ বিষয়ত বিশেষ উপবন্ধ ।
২৪। পুনৰ্বিবাহ কৰা কিছুমান বিধৱাই বিধৱা স্বৰূপে উত্তৰাধিকাৰ নাপাব পাৰে ।
২৫। হত্যাকাৰী অৰ্হতা বৰ্জিত ।
২৬। ধৰ্মান্তৰ গ্ৰহণকাৰীৰ বংশধৰ সকল অৰ্হতা বৰ্জিত ।
২৭। যেতিয়া ৰাবিচ উত্তৰাধিকাৰৰ অৰ্হতা বৰ্জিত হয় তেতিয়া ।
২৮। ৰোগ, ত্ৰুটি আদিয়ে অৰ্হতা বৰ্জিত নকৰে ।

ৰাজগামিত্ব

২৯। ৰাবিচৰ অভাৱ ।

অধ্যয়—৩

ইচ্ছাপত্ৰযোগে উত্তৰাধিকাৰ

৩০। ইচ্ছাপত্ৰ যোগে উত্তৰাধিকাৰ ।

অধ্যায়—৪

নিৰসন

৩১। [নিৰ্ৱাসিত]

অনুসূচী— শ্ৰেণী ১ আৰু শ্ৰেণী ২ ৰ ৰাবিচ সকল ।

# হিন্দু উত্তৰাধিকাৰ অধিনিয়ম, ১৯৫৬

(১৯৫৬ চনৰ ৩০ নং অধিনিয়ম)

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[১৭ জুন, ১৯৫৬]

হিন্দু সকলৰ মাজত ইচ্ছাপত্ৰবিহীন উত্তৰাধিকাৰ সম্পৰ্কীয় বিবিধ সংশোধন আৰু সংহিতাবন্ধ কৰণাৰ্থে এখন অধিনিয়ম।

ভাৰত গণৰাজ্যৰ সপ্তম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ভাবে অধি-নিয়মিত হওক :—

অধ্যায় ১

প্ৰাৰম্ভিক

**সংক্ষিপ্ত নাম** আৰু বিস্তাৰ।

১। (১) এই অধিনিয়মৰ নাম হিন্দু উত্তৰাধিকাৰ অধিনিয়ম, ১৯৫৬।

(২) জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰতলৈ ই বিস্তৃত হব।

অধিনিয়মৰ প্ৰয়োগ।

**২। (১) এই অধিনিয়ম নিম্নলিখিত সমূহত খাটিব —**

**(ক) ধৰ্মত যি বিৰাশৈব, লিংগায়ত অথবা ব্ৰাহ্ম, প্ৰাৰ্থনা বা আৰ্য সমাজৰ** অনুগামী সকলকে ধৰি যি কোনো প্ৰকাৰৰ বা বিকশিত ৰূপৰ হিন্দু তেনে যি কোনো ব্যক্তি,

(খ) ধৰ্মত যি বৌদ্ধ, জৈন বা শিখ, তেনে কোনো ব্যক্তি, আৰু

(গ) ধৰ্মত যি মুছলমান, খৃষ্টীয়ান, পাৰ্চী বা ইহুদী নহয়— তেনে অন্য কোনো ব্যক্তি যদিহে এইটো প্ৰমাণিত নহয় যে এই অধিনিয়ম পাৰিত নহলে ইয়াত প্ৰবৰ্ত্তিত যি কোনো প্ৰকল্পৰ বিষয়ত তেনে কোনো ব্যক্তি হিন্দু **বিধিৰ দ্বাৰা বা সেই বিধিৰ অংশ স্বৰূপে কোনো প্ৰথা বা ৰীতিৰ দ্বাৰা শাসিত নহ'লহেঁতেন।**

স্পষ্টীকৰণ— নিম্নলিখিত ব্যক্তিসকল ধৰ্মত যথা ক্ষেত্ৰত হিন্দু, বৌদ্ধ, জৈন বা শিখ :—

(ক) বৈধই হওক বা অবৈধই হওক যি কোনো সন্তান যাৰ পিতা-মাতা **দুয়ো ধৰ্মত হিন্দু, বৌদ্ধ, জৈন বা শিখ ;**

(খ) বৈধই হওক বা অবৈধই হওক যি কোনো সন্তান যাৰ পিতা-মাতাৰ **ভিতৰত এজন ধৰ্মত হিন্দু বৌদ্ধ, জৈন বা শিখ আৰু তেনে পিতা-মাতা বা** যি জনজাতি সম্প্ৰদায়, থুপ বা বংশৰ এজন হৈ আছে বা আছিল তাৰ এজন হিচাবে যাক ডাঙৰ-দীঘল কৰা হয় ;

(গ) হিন্দু, বৌদ্ধ বা জৈন ধৰ্মলৈ ধৰ্মান্তৰিত বা পুনঃ— ধৰ্মান্তৰিত যি কোনো ব্যক্তি।

(২) উপধাৰা (১)ত যিহকে থাকক লাগে এই অধিনিয়মৰ অন্তৰ্গত একোৱেই সংবিধানৰ ৩৬৬ অনুচ্ছেদৰ (২৫) খণ্ডৰ অৰ্থৰ ভিতৰত পৰা যি কোনো অনুসূচিত জনজাতিৰ ক্ষেত্ৰত নাখাটিব যদিহে কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা অন্যথা নিৰ্দেশ নিদিয়ে।

(৩) এই অধিনিয়মৰ যি কোনো অংশত থকা 'হিন্দু' উক্তিৰ এনে অৰ্থ কৰা হব যেন ই এনে ব্যক্তিকো সামৰে যি যদিও হিন্দু ধৰ্মাৱলম্বী নহয় তথাপি এনে ব্যক্তি যাৰ গাত এই ধাৰাৰ অন্তৰ্গত উপবন্ধ সমূহৰ গুণে এই অধিনিয়মত খাটে ।

পৰিভাষা আৰু নিৰ্বচন সমূহ ।

৩। (১) প্ৰসংগত অন্যথা প্ৰয়োজন নাথাকিলে এই অধিনিয়মত—

(ক) 'গোত্ৰজ'— এজন ব্যক্তিক আন এজনৰ 'গোত্ৰজ' বুলি কোৱা হয় যদি দুৱাকৈ পুৰুষ সূত্ৰে ৰক্ত দ্বাৰা বা দত্তকৰ দ্বাৰা ইজনৰ লগত সিজন সম্বন্ধিত হয় ;

(খ) 'এলীয় সন্তান বিধি' এই সকল ব্যক্তিৰ ওপৰত প্ৰযোজ্য বিধিৰ পদ্ধতিক বুজাব যি সকল এই অধিনিয়ম পাৰিত নোহোৱা হলে এই অধিনিয়মত যি বিলাক প্ৰকল্পৰ বিষয়ত উপবন্ধ কৰা হৈছে সেই বিলাক বিষয়ত মাদ্ৰাজ এলীয় সন্তান অধিনিয়ম, ১৯৪৯ ৰ দ্বাৰা বা প্ৰথাগত এলীয় বিধিৰ দ্বাৰা শাসিত হ'লহেঁতেন ;

(গ) 'বন্ধু'— এজন ব্যক্তি আন এজনৰ 'বন্ধু' হয় বুলি কোৱা হয় যদি দুয়োজন ৰক্ত বা দত্তকৰ দ্বাৰা সম্বন্ধিত হয়, কিন্তু দুৱাকৈ কেৱল পুৰুষ সূত্ৰে নহয় ;

(ঘ) 'প্ৰথা' আৰু 'ৰীতি' উক্তিয়ে এনে কোনো বিষয়ক বুজায় যি দীৰ্ঘদিন একে লেথাৰিয়ে আৰু একেগোটিয়াকৈ অনুপালিত হৈ থাকি যি কোনো স্থানীয় এলেকা, জনজাতি সম্প্ৰদায়, থুপ বা পৰিয়ালৰ হিন্দু সকলৰ মাজত বিধিৰ বল পাইছে ঃ

পৰন্তু নিয়মটো নিশ্চিত হয় আৰু অযুক্তিকৰ বা লোকনীতিৰ বিৰোধী নহয় ঃ আৰু

উপৰন্তু, কেৱল এটা পৰিয়ালত প্ৰযোজ্য কোনো এক নিয়মৰ ক্ষেত্ৰত যদিহে পৰিয়ালটোৱে ইয়াক এৰি দিয়া নাই ;

(ঙ) 'পূৰ্ণৰক্ত' 'অৰ্দ্ধৰক্ত' আৰু 'সহোদৰ ৰক্ত'

(i) দুজন ব্যক্তি ইজনৰ লগত সিজন পূৰ্ণ ৰক্ত'ৰ দ্বাৰা সম্বন্ধিত বোলা হয় যেতিয়া তেওঁলোক একে গৰ্ভকী পত্নীৰ দ্বাৰা একেজন উৰ্ধ্বপুৰুষৰ বংশধৰ হয় আৰু 'অৰ্দ্ধৰক্ত'ৰ দ্বাৰা সম্বন্ধিত বোলা হয় যেতিয়া তেওঁলোক বেলেগ বেলেগ পত্নীৰ দ্বাৰা একেজন উৰ্ধ্বপুৰুষৰ বংশধৰ হয় ;

(ii) দুজন ব্যক্তি ইজনৰ লগত সিজন 'সহোদৰ ৰক্ত'ৰ দ্বাৰা সম্বন্ধিত বোলা হয় যেতিয়া তেওঁলোক বেলেগ বেলেগ পতিৰ যোগে একেগৰাকী নাৰী উৰ্ধ্বপুৰুষৰ বংশধৰ হয় ;

স্পষ্টীকৰণ— এই খণ্ডত 'উৰ্ধ্বপুৰুষে' পিতাকক আৰু 'নাৰী উৰ্ধ্বপুৰুষে' মাককো সামৰিছে ।

(চ) 'ৱাৰিচে' পুৰুষেই হওক বা স্ত্ৰীয়েই হওক এনে কোনো ব্যক্তিক বুজাইছে— যি এই অধিনিয়মৰ অধীনত এজন ইচ্ছাপত্ৰবিহীন লোকৰ সম্পত্তিৰ উত্তৰাধিকাৰী হবলৈ স্বত্বৱান ;

(ছ) 'ইচ্ছাপত্ৰবিহীন'— এজন ব্যক্তি সেই সম্পত্তিৰ সম্পৰ্কত ইচ্ছাপত্ৰবিহীন বুলিলে মৃত্যু হোৱা বুলি পৰিগণিত হয়— যেতিয়া ইচ্ছাপত্ৰৰ দ্বাৰা সেই সম্পত্তিৰ ৰফা নকৰাকৈ তেওঁৰ বা তাইৰ মৃত্যু হয় ;

(জ) 'মৰুমাক্কাট্টয়ম বিধি'— এই নিম্নলিখিত ব্যক্তি সমূহত এটা বিধিৰ পদ্ধতিক বুজায়—

(ক) যি এই অধিনিয়মখন পাৰিত নোহোৱা হলে এই অধিনিয়মত উপবন্ধ কৰা প্ৰকল্পসমূহৰ বিষয়ত মাদ্ৰাজ মৰুমাক্কাট্টয়ম অধিনিয়ম, ১৯৩২ ত্ৰিবাংকুৰ নায়াৰ অধিনিয়ম ; ত্ৰিবাংকুৰ ইৰা অধিনিয়ম ; ত্ৰিবাংকুৰ নঞ্জীনড ৱেল্লালা অধিনিয়ম ; ত্ৰিবাংকুৰ ক্ষত্ৰিয় অধিনিয়ম ঃ ত্ৰিবাংকুৰ কৃষ্ণঞানৱক মৰুমাক্কাট্টয়ম অধিনিয়ম : বা কোচিন নায়াৰ অধিনিয়মৰ দ্বাৰা শাসিত হ'লহেঁতেন; বা

(খ) যি সম্প্ৰদায়ৰ সদস্য সকল বহুলাংশে ত্ৰিবাংকুৰ কোচিন বা ১৯৫৬ চনৰ ১ নবেম্বৰ তাৰিখৰ অব্যৱহিত পূৰ্বে যেনেকৈ আছিল সেই মাদ্ৰাজত বসতি কৰি তেনে কোনো সম্প্ৰদায়ৰ যি অন্তৰ্ভুক্তি আৰু যি এই অধিনিয়ম পাৰিত নোহোৱা হলে এই অধিনিয়মত উপবন্ধ কৰা হোৱা প্ৰকল্প সমূহৰ বিষয়ত এনে কোনো ৰাৰিচী পদ্ধতিৰ দ্বাৰা শাসিত হ'লহেঁতেন যি পদ্ধতিত বংশানুক্ৰমে স্ত্ৰীসূত্ৰে গণনা কৰা হয়, কিন্তু 'এলীয় সন্তান' বিধিক অন্তৰ্ভুক্ত নকৰে ;

(ঝ) 'নামুদ্ৰি বিধিয়ে' সেই সকল ব্যক্তিৰ ওপৰত প্ৰযোজ্য বিধিক বুজাব যি সকল এই অধিনিয়ম পাৰিত নোহোৱা হলে এই অধিনমত যি-বিলাক প্ৰকল্পী বিষয়ত উপবন্ধ কৰা হৈছে সেই বিলাকৰ বিষয়ত মাদ্ৰাজ নামুদ্ৰি অধিনিয়ম, ১৯৩২ ; কোচিন নামুদ্ৰি অধিনিয়ম বা ত্ৰিবাংকুৰ মালয়ালী ব্ৰাহ্মণ অধিনিয়মৰ দ্বাৰা শাসিত হ'লহেঁতেন ;

(ঞ) 'সম্বন্ধিত'— ই বৈধ সম্পৰ্কীতাৰ দ্বাৰা সম্বন্ধিতক বুজায় ঃ

পৰন্তু অবৈধ সন্তানসকলৰ তেওঁলোকৰ মাকৰ লগত আৰু পৰস্পৰ ইজনে সিজনে সম্বন্ধিত বুলি পৰিগণিত হব আৰু তেওঁলোকৰ বৈধ বংশধৰ সকল তেওঁলোকৰ লগত আৰু পৰস্পৰ ইজনে সিজনে সম্বন্ধিত বুলি পৰিগণিত হব; আৰু সম্বন্ধ ব্যক্ত কৰা বা সম্বন্ধীয়কক বুজোৱা যি কোনো শব্দত তদনুসাৰে হব ।

(২) এই অধিনিয়মত প্ৰসঙ্গত অন্যাথা প্ৰয়োজন নাথাকিলে পুংলিংগ বুজোৱা শব্দই নাৰীক অন্তৰ্ভুক্ত নকৰিব ।

অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ ।

৪। (১) এই অধিনিয়মত অন্যথা ব্যক্তভাৱে উপবন্ধিত হোৱাৰ ব্যতিৰেকে,—

(ক) যিবিলাক প্ৰকল্পৰ বাবে এই অধিনিয়মত উপবন্ধ কৰা হৈছে সেই বিলাকৰ যি কোনোৰ বিষয়ত এই অধিনিয়মত প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে বলবত্ থকা হিন্দু বিধিৰ কোনো পাঠ, নিয়ম বা নিৰ্বচন বা সেই বিধিৰ অংশস্বৰূপে কোনো প্ৰথা বা ৰীতিৰ কাৰ্যকাৰিতা নোহোৱা হব ;

(খ) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে বলবত্ থকা অন্য যি কোনো বিধি যিমান দূৰলৈকে—সি এই অধিনিয়মৰ অন্তৰ্ভুক্ত উপবন্ধ সমূহৰ লগত অসঙ্গত হয় সিমানখিনিলৈ সি নখটা হব ।

(২) সন্দেহ দূৰীকৰণাৰ্থে ইয়াৰ দ্বাৰা ঘোষিত হ'ল যে এই অধিনিয়মৰ অন্তৰ্গত একোৱেই খেতিৰ মাটিৰ খণ্ডিতকৰণ নিবাৰণৰ বাবে বা তেনে মাটিৰ সম্পত্তিৰ সৰ্ব্বোচ পৰিমাণ নিৰ্দ্ধাৰণ বা ৰায়তীস্বত্বৰ অৱগমনৰ বাবে উপবন্ধ কৰা তত্কালীন বলবত্ কোনো বিধিৰ উপবন্ধ সমূহত প্ৰভাৱিত কৰা বুলি গণ্য কৰা নহব ।

## অধ্যায় ২

## ইচ্ছাপত্ৰবিহীন উত্তৰাধিকাৰ

### সাধাৰণ

অধিনিয়মখন কিছুমান সম্পত্তিত নাখাটিব ।

৫। এই অধিনিয়ম নিম্নলিখিত সমূহত খাটিব—

(।) তেনে কোনো সম্পত্তি যাৰ উত্তৰাধিকাৰ বিশেষ বিবাহ অধিনিয়ম, ১৯৫৪ ৰ ধাৰা ২১ ত থকা উপবন্ধ সমূহৰ কাৰণত ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়ম, ১৯২৫ ৰ দ্বাৰা বিনিয়মিত হয় ;

(।।) কোনো দেশীয় ৰাজ্যৰ শাসনকৰ্তাই ভাৰত চৰকাৰৰ সৈতে আৰম্ভ হোৱা কোনো নিবন্ধন বা চুক্তিৰ চৰ্তসমূহ অথবা এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগতে পাৰিত কৰা কোনো অধিনিয়মত চৰ্তসমূহ অনুযায়ী অকলশৰীয়া এজন ৰাৰিচলৈ অৱগামী হয় তেনে কোনো খাত-পাম ;

(।।।) ৰলয়ম্মা টেম্পুৰান কোৱিলগাম খাত আৰু কোচিনৰ মহাৰজাই জাৰি কৰা ২৯ জুন, ১৯৪৯ তাৰিখৰ ঘোষণা (১১২৪ৰ ৯) দ্বাৰা প্ৰদত্ত ক্ষমতাৰ আধাৰত ৰাজকাৰেং প্ৰশাসন বৌৰ্ডৰ দ্বাৰা প্ৰকাশিত ৰাজকাৰেং পুঁজি ।

অনুসূচীত শ্ৰেণী ২ ভুক্ত ৰাৰিচ সকলৰ মাজত সম্পত্তিৰ বিতৰণ।

১১। ইচ্ছাপত্ৰবিহীনৰ সম্পত্তি অনুসূচীৰ শ্ৰেণী ২ৰ যি কোনো প্ৰবিষ্টিত বিনিৰ্দিষ্ট ৰাৰিচসকলৰ মাজত এনেকৈ ভাগ কৰা হব যাতে তেওঁলোকে সমান সমান অংশ পাব।

গোত্ৰজ সকল আৰু বন্ধুসকলৰ মাজত উত্তৰাধিকাৰৰ ক্ৰম।

১২। যথাক্ষেত্ৰত 'গোত্ৰজ' আৰু 'বন্ধু' সকলৰ মাজত উত্তৰাধিকাৰৰ ক্ৰম ইয়াৰ তলত দিয়া অগ্ৰাধিকাৰ নিয়মাৱলী অনুসাৰে নিৰ্ণীত হব :—

নিয়ম ১— দুজন ৰাৰিচৰ ভিতৰত যিজনৰ উৰ্ধগামী পুৰুষ কম সংখ্যক আছে বা নাই তেওঁক অগ্ৰাধিকাৰ দিয়া হব।

নিয়ম ২— যি ক্ষেত্ৰত উৰ্ধগামী পুৰুষৰ সংখ্যা একে বা সমুলি নাই যিজনৰ নিম্নগামী পুৰুষ কম সংখ্যক বা সমুলি নাই তেওঁক অগ্ৰাধিকাৰ দিয়া হব।

নিয়ম ৩— যি ক্ষেত্ৰত কোনোজন ৰাৰিচেই নিয়ম ১ বা নিয়ম ২ ৰ অধীনত ইজনৰ ওপৰত অগ্ৰাধিকাৰ পাবলৈ স্বত্ববান নহয় তেনে ক্ষেত্ৰত তেওঁলোকে একেলগে পাব।

মাত্ৰাৰ সংগণনা।

**১৩। (১) গোত্ৰজ আৰু বন্ধু সকলৰ মাজত উত্তৰাধিকাৰৰ ক্ৰম নিৰ্ণয়ৰ উদ্দেশ্যত সম্বন্ধ যথা ক্ষেত্ৰত ওপৰ ফালৰ মাত্ৰা বা তলৰ ফালৰ মাত্ৰা বা দুয়োটাৰে অনুসাৰে ইচ্ছাপত্ৰবিহীনৰ পৰা ৰাৰিচ সকললৈ সম্বন্ধৰ সংগণনা হব।**

(২) ওপৰ ফালৰ মাত্ৰা আৰু তল ফালৰ মাত্ৰাৰ সংগণনা ইচ্ছাপত্ৰবিহীন জনকো ধৰিলৈ কৰা হব।

(৩) প্ৰত্যেক পুৰুষৰে একমাত্ৰা গঠিত ওপৰ ফালৰে হওক বা তলৰ ফালৰে হওক।

হিন্দু নাৰীৰ সম্পত্তি তেওঁৰ পকাপকি নিজা সম্পত্তি।

১৪। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগতেই আহৰণ কৰা হওক বা পিছতেই আহৰণ কৰা হওক এগৰাকী হিন্দু নাৰীৰ দখলত থকা যি কোনো সম্পত্তি তেওঁ তাৰ সম্পূৰ্ণ গৰাকী হিচাবে ধাৰণ কৰিব, সীমিত গৰাকী হিচাবে নহয়।

স্পষ্টীকৰণ— এই উপধাৰাত সম্পত্তি বুলিলে হিন্দু নাৰীয়ে ৰাৰিচীসূত্ৰে বা ইচ্ছাপত্ৰ দ্বাৰা ভাগ বাটোৱাৰা বা ভৰণ-পোষণৰ বদলি বা ভৰণ-পোষণৰ পাব লগা বাকী হিচাবে বা বিয়াৰ আগতে বা বিয়াতে বা বিয়াৰ পাচতে হওক দানৰ পৰা, বা নিজৰ কৌশল বা পৰিশ্ৰমৰ দ্বাৰা বা ক্ৰয় যোগে বা চিৰভোগৰ দ্বাৰা বা অন্য যি কোনো ধৰণে আহৰণ কৰা স্থাৱৰ আৰু অস্থাৱৰ দুয়ো প্ৰকাৰৰ সম্পত্তি আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে তেওঁ স্ত্ৰী ধন হিচাবে ধাৰণ কৰা যি কোনো সম্পত্তিও তাৰ ভিতৰত পৰিব।

(২) উপধাৰা (১) ত থকা একোৱেই দান সূত্ৰে, বা ইচ্ছাপত্ৰৰ অধীনত বা আন যি কোনো লেখ্যৰ দ্বাৰা বা দেৱানী আদালতৰ কোনো ডিক্ৰী বা হুকুমৰ অধীনত বা কোনো পঞ্চাটৰ অধীনত আহৰণ কৰা যি কোনো সম্পত্তিৰ ওপৰত যি ক্ষেত্ৰত সেই দান, ইচ্ছাপত্ৰ বা অন্য লেখ্য বা ডিক্ৰী, হুকুম বা পঞ্চাটৰ নিবন্ধন সমূহে সেই সম্পত্তিত সীমাবদ্ধ স্বত্বস্বামিত্বহে বিহিত কৰে।

হিন্দু নাৰীৰ ক্ষেত্ৰত উত্তৰাধিকাৰৰ সাধাৰণ নিয়ম।

১৫। ইচ্ছা পত্ৰবিহীন ভাবে মৃত্যু হোৱা এগৰাকী হিন্দু নাৰীৰ সম্পত্তিৰ নিয়ম ১৬ ত দিয়া নিয়মাৱলী অনুযায়ী নিম্নলিখিত সকললৈ অৱগমন কৰিব —

(ক) প্ৰথমতে, পুত্ৰ সকল আৰু কন্যা সকল (যি কোনো পূৰ্বমৃত পুত্ৰ বা কন্যাৰ লৰা-ছোৱালী সকলকে ধৰি) আৰু পতি ;
(খ) দ্বিতীয়তে, পতিৰ ৰাৰিচ সকল ;
(গ) তৃতীয়তে, মাতা বা পিতা ;
**(ঘ) চতুৰ্থতে, পিতাৰ ৰাৰিচ সকল ; আৰু**
(ঙ) শেষত মাতাৰ ৰাৰিচ সকল ;

(২) উপধাৰা (১) ত যিহকে থাকক লাগে—

(ক) হিন্দু নাৰীয়ে তেওঁৰ পিতা বা মাতাৰ পৰা ৱাৰিচসূত্ৰে পোৱা যি কোনো সম্পত্তি মৃতকৰ পুত্ৰ বা কন্যাৰ (পূৰ্ব মৃত পুত্ৰ বা কন্যাৰ লৰা ছোৱালী সকলোকে ধৰি) অবিহনে উপধাৰা (১)ত বিনিৰ্দিষ্ট ক্ৰমত তাত উল্লিখিত অন্যান্য ৱাৰিচ সকলৈ অৱগমিত নহব, পিতৰ ৱাৰিচ সকলৈহে হব।

হিন্দুনাৰীৰ ৱাৰিচ সকলৰ মাজত বিতৰণৰ উত্তৰাধিকাৰ ক্ৰম আৰু প্ৰণালী।

১৬। ধাৰা ১৫ ত উল্লিখিত ৱাৰিচ সকলৰ ভিতৰত উত্তৰাধিকাৰৰ ক্ৰম আৰু সেই ৱাৰিচ সকলৰ মাজত ইচ্ছাপত্ৰবিহীনৰ সম্পত্তি বিতৰণ নিম্নলিখিত নিয়মাৱলী অনুযায়ী হব অৰ্থাৎ:—

নিয়ম ১—ধাৰা ১৫ৰ উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট ৱাৰিচ সকলৰ ভিতৰত প্ৰৱিষ্টি ১ ত থকা সকলে উত্তৰৱৰ্তী প্ৰৱিষ্টিত থকা সকলৰ ওপৰত অগ্ৰাধিকাৰ পাব আৰু একে প্ৰৱিষ্টিত থকা সকলে একেদৰে ভাগ পাব।

নিয়ম ২—ইচ্ছাপত্ৰবিহীনজনৰ যি কোনো পুত্ৰ বা কন্যা যদি তেওঁৰ নিজা পুত্ৰ বা কন্যাৰ ইচ্ছাপত্ৰবিহীনৰ মৃত্যুৰ সময়ত জীৱিত ৰাখি ইচ্ছাপত্ৰবিহীনজনতকৈ আগতে মৰে তেনে পুত্ৰ বা কন্যাৰ লৰা-ছোৱালীহঁতে তেওঁলোকৰ নিজৰ ভিতৰত সেই অংশ পাব, যিটো তেনে পুত্ৰ বা কন্যাই ইচ্ছাপত্ৰবিহীনজনৰ মৃত্যুৰ সময়ত জীয়াই থকা হলে পালেহেঁতেন।

নিয়ম ৩—ধাৰা ১৫ৰ উপধাৰা (১)ৰ (খ) (গ) আৰু (ঙ) খণ্ডত আৰু উপধাৰা (২) ত উল্লিখিত ৱাৰিচসকলৈ ইচ্ছাপত্ৰবিহীনজনৰ সম্পত্তিৰ অৱগমন একে ক্ৰমত আৰু একে নিয়মাৱলী অনুযায়ী হব যি বিলাক সম্পত্তিটো যথা ক্ষেত্ৰত পিতাৰ বা মাতাৰ বা পতিৰ হোৱা হলে আৰু তেনে ব্যক্তি ইচ্ছাপত্ৰ বিহীনজনৰ মৃত্যুৰ ঠিক পিচতে সেই সম্পত্তিৰ সম্পৰ্কত ইচ্ছাপত্ৰবিহীন ভাবে মৃত্যু হোৱা হলে খাটিলহেতেন।

মৰুমাক্কাট্টয়ম আৰু এলীয় সন্তান বিধিৰ দ্বাৰা শাসিত ব্যক্তিসকলৰ বিষয়ত বিশেষ উপবন্ধ।

১৭। ধাৰা ৮, ১০, ১৫ আৰু ২৩ ৰ উপবন্ধ সমূহৰ প্ৰভাৱ সেই সকল ব্যক্তিৰ সম্পৰ্কত খাটিব যি সকল এই অধিনিয়ম পাৰিত নোহোৱা হলে মৰুমাক্কাট্টয়ম বিধি বা এলীয় সন্তান বিধিৰ দ্বাৰা শাসিত হ'লহেঁতেন— যেনিবা—

(i) ধাৰা ৮ৰ উপধাৰা (গ) আৰু (ঘ)ৰ ঠাইত নিম্নলিখিতখিনি বহুৱা হৈছে, অৰ্থাৎ:—

"(গ) তৃতীয়তে, যদি দুয়োটা শ্ৰেণীৰ কাৰো কোনো ৱাৰিচ নাথাকে তেন্তে গোত্ৰজই হওক বা বন্ধুৱেই হওক কুটুম্ব সকল।";

(ii) ধাৰা ১৫ৰ উপধাৰা (১)ৰ (ক)ৰ পৰা (ঙ) লৈ খণ্ডসমূহৰ ঠাইত নিম্নলিখিতখিনি বহুৱা হৈছে, অৰ্থাৎ:—

"(ক) প্ৰথমতে, যি কোনো পূৰ্বমৃত পুত্ৰ বা কন্যাৰ সন্তান সকলকো ধৰি পুত্ৰ সকল আৰু কন্যা সকল আৰু মাতা;

(খ) দ্বিতীয়তে, পিতা আৰু পতি;

(গ) তৃতীয়তে, মাতাৰ ৱাৰিচ সকল;

(ঘ) চতুৰ্থতে, পিতাৰ ৱাৰিচ সকল;

(ঙ) শেষত, পতিৰ ৱাৰিচ সকল।";

(iii) ধাৰা ১৫ ৰ উপধাৰা (২)ৰ খণ্ড (ক) বাদ দিয়া হল।

(iv) ধাৰা ২৩ বাদ দিয়া হ'ল।

## উত্তৰাধিকাৰ বিষয়ত সাধাৰণ উপবন্ধসমূহ

**অৰ্দ্ধৰক্তৰ ওপৰত পূৰ্ণৰক্তই অগ্ৰাধিকাৰ পাব।**

১৮। যদি সকলো প্ৰকাৰে সম্বন্ধৰ প্ৰকৃতি একে হয় তেন্তে পূৰ্ণৰক্ত দ্বাৰা ইচ্ছাপত্ৰবিহীনৰ লগত সম্বন্ধিত ব্যক্তিসকলে অৰ্দ্ধৰক্তৰ ওপৰত অগ্ৰাধিকাৰ পাব।

**দুই বা অধিক ব্যক্তিৰ উত্তৰাধিকাৰৰ ধৰণ।**

১৯। যদি ইচ্ছাপত্ৰবিহীনৰ সম্পত্তিত দুই বা তাতোধিক ব্যক্তিয়ে একে লগে উত্তৰাধিকাৰ পায় তেওঁলোকে সম্পত্তিটো নিম্নলিখিত ধৰণে পাব—

(ক) এই অধিনিয়মৰ অভিব্যক্ত ৰূপে অন্যথা উপৰবন্ধিত হোৱাৰ ব্যতিৰেকে জনমূৰি, শাখামূৰি নহয়, আৰু—
(খ) সামান্য ৰায়ত হিচাবে, উমৈহতীয়া ৰায়ত হিচাবে নহয়।

**গৰ্ভস্থ সন্তানৰ অধিকাৰ।**

২০। ইচ্ছাপত্ৰবিহীনৰ মৃত্যুৰ সময়ত যি গৰ্ভস্থ আছিল আৰু পিচত জীৱিত অৱস্থাতে জন্ম লাভ কৰিছে তেনে সন্তানে ইচ্ছাপত্ৰবিহীনৰ ব্যক্তি হবলৈ অগ্ৰাধিকাৰ পাব, যিটো তেওঁ বা তাই ইচ্ছাপত্ৰবিহীনৰ মৃত্যুৰ পূৰ্বে জন্ম লাভ কৰা হৈয়ে পালেহেঁতেন আৰু তেনে ক্ষেত্ৰত সেই ব্যক্তিটো ইচ্ছাপত্ৰবিহীনৰ মৃত্যুৰ তাৰিখৰ পৰাই নিহিত হোৱা বুলি পৰিগণিত হব।

**একে সময়তে হোৱা মৃত্যুৰ ক্ষেত্ৰত পূৰ্বৰ ধাৰণা।**

২১। যি ক্ষেত্ৰত দুজন ব্যক্তিৰ এনে পৰিস্থিতিত মৃত্যু হয় যে কোনো এজন ইজনৰ উত্তৰজীৱি আছিলনে নাই আৰু যদি আছিল কোনজন আছিল সেইটো অনিশ্চিত হৈ পৰে তেতিয়া সম্পত্তিৰ উত্তৰাধিকাৰ প্ৰভাৱিত কৰা সকলো উদ্দেশ্যত বিপৰীতভাৱে প্ৰমাণিত নোহোৱালৈকে এই পূৰ্বৰ ধাৰণা কৰা হয় যে কনিষ্ঠজন জ্যেষ্ঠজনৰ উত্তৰজীৱি আছিল।

**কিছুমান ক্ষেত্ৰত সম্পত্তি আহৰণ কৰাৰ অগ্ৰমান্য অধিকাৰ।**

২২। (১) যি ক্ষেত্ৰত এই অধিনিয়ম প্ৰাৰম্ভণৰ পিচত এজন ইচ্ছাপত্ৰবিহীনৰ যি কোনো স্বাৰ্থৰ সম্পত্তি অথবা তেওঁ বা তাই চলোৱা ব্যৱসায়ত থকা স্বাৰ্থ পূৰাকৈ বা আনৰ লগতে অনুসূচীৰ শ্ৰেণী ১ত বিনিৰ্দিষ্ট দুজন বা ততোধিক ব্যক্তিলৈ অৱগমিত হব আৰু তেনে ব্যক্তি সকলৰ কোনোজনে সম্পত্তিত বা ব্যৱসায়ত থকা তেওঁৰ বা তাইৰ স্বাৰ্থটো হস্তান্তৰণ কৰিবলৈ প্ৰস্তাৱ কৰে তেনেক্ষেত্ৰত হস্তান্তৰণ কৰিবৰ বাবে প্ৰস্তাৱিত সেই স্বাৰ্থ আহৰণ কৰিবলৈ অন্য ব্যক্তিসকলৰ অগ্ৰমান্য অধিকাৰ থাকিব।

(২) এই ধাৰাৰ অধীনত মৃতকৰ সম্পত্তিত থকা যিকোনো স্বাৰ্থ কিমান মূল্যত হস্তান্তৰিত কৰিব পাৰি পক্ষগণৰ মাজত কোনো চুক্তিৰ অবিহনে সেইটো এই নিমিত্তে কৰা দৰ্খাস্তৰ ওপৰত আদালতৰ দ্বাৰা নিৰ্ণীত হব আৰু যদি সেই স্বাৰ্থ আহৰণ কৰিবলৈ প্ৰস্তাৱ কৰোতা কোনো ব্যক্তি তেনেকৈ নিৰ্ণীত হোৱা মূল্য দিবলৈ অনিচ্ছুক হয় তেন্তে সেই দৰ্খাস্তৰ বা তাৰ আনুষঙ্গিক সকলো খৰচ বহন কৰিবলৈ তেনে ব্যক্তি দায়বদ্ধ থাকিব।

(৩) যদি এই ধাৰাৰ অধীনত স্বাৰ্থ আহৰণ কৰিবলৈ প্ৰস্তাৱ কৰা অনুসূচীৰ শ্ৰেণী ১ত বিনিৰ্দিষ্ট দুই বা অধিক ব্যক্তি থাকে তেন্তে যিজনে হস্তান্তৰণৰ বাবে উচ্চতম মূল্য যাচে সেইজনৰ ব্যক্তিয়ে অগ্ৰমান্যতা পাব।

স্পষ্টীকৰণ ঃ— এই ধাৰাত 'আদালতৰ' অৰ্থ সেই আদালতটোৰ স্থানীয় ক্ষেত্ৰাধিকাৰৰ ভিতৰত স্থাৱৰ সম্পত্তিটো অৱস্থিত বা ব্যৱসায়টো চলোৱা হয়আৰু ই তেনে আনকোনো আদালতকো সামৰে যাক ৰাজ্যচৰকাৰৰ ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰিব পাৰে।

**নিবাস গৃহৰ বিষয়ত বিশেষ উপবন্ধ।**

২৩। যি ক্ষেত্ৰত ইচ্ছাপত্ৰবিহীনে অনুসূচীৰ শ্ৰেণী ১ত বিনিৰ্দিষ্ট মতা আৰু মাইকী দুয়ো প্ৰকাৰৰ ব্যক্তিক তেওঁৰ বা তাইৰ উত্তৰজীৱিঅৱস্থাত এৰি যায় আৰু তেওঁৰ বা তাইৰ সম্পত্তিৰ ভিতৰত তেওঁৰ বা তাইৰ পৰিয়ালৰ সদস্য সকলে পূৰাকৈ অধিকাৰ কৰি থকা বাসগৃহও পৰে তেন্তে এই অধিনিয়মত যিহকে থাকক সেই বাসগৃহৰ ভাগবাটোৱাৰা দাবী কৰিবৰ বাবে তেনে কোনো মাইকী ব্যক্তিৰ অধিকাৰ জন্মিব যেতিয়ালৈকে মতা

ৱাৰিচসকলে সেই সম্পত্তিত তেওঁলোকৰ নিজ নিজ অংশ ভাগবাটোৱাৰা কৰিবলৈ পছন্দ নকৰে কিন্তু মাইকী ৱাৰিচ গৰাকী তাত বসবাস কৰাৰ অধিকাৰৰ স্বত্ববান হব ঃ

পৰন্তু যিক্ষেত্ৰত তেনে মাইকী ৱাৰিচ কন্যা হয় তেনেক্ষেত্ৰত যদি তাই অবিবাহিতা হয় বা গিৰিয়েকে এৰি দিয়া বা গিৰিয়েকৰ লগত বেলেগ হোৱা বা বিধবা হয় কেৱল তেতিয়াহে তাই সেই বাস গৃহত বাস কৰা অধিকাৰৰ স্বত্ববান হব ।

পুনঃ বিবাহ কৰা কিছুমান বিধৱাই বিধৱা স্বৰূপে উত্তৰাধিকাৰ নাপাব পাৰে ।

২৪। পূৰ্বমৃত পুত্ৰৰ বিধৱা পত্নী, পূৰ্বমৃত পুত্ৰৰ পূৰ্বমৃত পুত্ৰৰ বিধৱা পত্নী বা ভাতৃৰ বিধৱা পত্নী হিচাবে এজন ইচ্ছাপত্ৰবিহীনৰ লগত সম্বন্ধিত যিকোনো ৱাৰিচ তেনে বিধৱা হিচাবে ইচ্ছাপত্ৰবিহীনৰ সম্পত্তিৰ উত্তৰাধিকাৰী হবলৈ স্বত্ববান নহয় যদিহে তাই উত্তৰাধিকাৰ খোলাৰ তাৰিখত পুনঃ বিবাহিতা হয় ।

হত্যাকাৰী অৰ্হতা বৰ্জিত ।

২৫। যি ব্যক্তিয়ে নৰহত্যা কৰে বা নৰহত্যা কৰিবলৈ উদগনি দিয়ে সেই ব্যক্তি সেই হত ব্যক্তিৰ সম্পত্তিৰ বা যি সম্পত্তিৰ উত্তৰাধিকাৰ আগবঢ়াবৰ বা নৰহত্যা কৰিছিল বা নৰহত্যা কৰিবলৈ উদগনি দিছিল সেই সম্পত্তিৰ ৱাৰিচ হোৱাৰ অৰ্হতা বৰ্জিত হব ।

ধৰ্মান্তৰ গ্ৰহণকাৰীৰ বংশধৰসকল অৰ্হতা বৰ্জিত ।

২৬। যিক্ষেত্ৰত এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগত বা পিচত এজন হিন্দু ধৰ্মান্তৰিত হোৱাৰ বাবে হিন্দু নোহোৱা হ'ল বা নোহোৱা হয় সেই ক্ষেত্ৰত তেনে ধৰ্মান্তৰৰ পিচত জন্ম হোৱা তেওঁৰ বা তাইৰ সন্তান সকল আৰু সিবিলাকৰ বংশধৰ সকল তেওঁলোকৰ হিন্দুধৰ্মী সম্বন্ধীয়ৰ সম্পত্তিৰ ৱাৰিচ হোৱাৰ অৰ্হতাবৰ্জিত হব যদিহে তেনে সন্তান সকল বা বংশধৰসকল উত্তৰাধিকাৰ খোলাৰ সময়ত হিন্দু নহয় ।

যেতিয়া ৱাৰিচ উত্তৰাধিকাৰ অৰ্হতা বৰ্জিত হয় তেতিয়া ।

২৭। যদি এই অধিনিয়মৰ অধীনত কোনো ব্যক্তি কোনো সম্পত্তিৰ ৱাৰিচ হোৱাৰ অৰ্হতা বৰ্জিত হয় তেন্তে সেই সম্পত্তি এনেভাৱে অৱগামী হব যেন ইচ্ছাপত্ৰবিহীনৰ আগতেই সেই ব্যক্তিৰ মৃত্যু ঘটিল ।

ৰোগ, ত্ৰুটি আদিয়ে অৰ্হতা বৰ্জিত নকৰে ।

২৮। কোনো ৰোগ, ত্ৰুটি বা অঙ্গবিকলতাৰ আধাৰত বা এই অধিনিয়মত যেনেকৈ উপবন্ধিত হৈছে আৰু তাৰ ব্যতিৰেকে অন্য যিকোনো আধাৰত কোনো ব্যক্তিক যিকোনো সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ অৰ্হতা বৰ্জিত কৰা নহব ।

### ৰাজগামিত্ব

ৱাৰিচৰ অভাৱ ।

২৯। যদি ইচ্ছাপত্ৰবিহীনে এই ৰাজগামিত্ব উপবন্ধাৱলী অনুযায়ী তেওঁৰ বা তাইৰ সম্পত্তিৰ উত্তৰাধিকাৰী হবৰ অৰ্হতাসম্পন্ন কোনো ৱাৰিচ এৰি যোৱা নাই তেন্তে সেই সম্পত্তি চৰকাৰলৈ অৱগামী হব আৰু চৰকাৰে সম্পত্তিটো সেই সকলোবোৰ বাধ্যবাধকতা আৰু দায়বদ্ধতা সাপেক্ষে গ্ৰহণ কৰিব যিখিনিৰ সাপেক্ষে এজন ৱাৰিচে সম্পত্তিটো গ্ৰহণ কৰিব লাগিলেহেঁতেন ।

## অধ্যায় ৩

### ইচ্ছাপত্ৰযোগে উত্তৰাধিকাৰ

ইচ্ছাপত্ৰযোগে উত্তৰাধিকাৰ ।

৩০। যি সম্পত্তি উইল বা ইচ্ছাপত্ৰিত ৰফাকৰণৰ দ্বাৰা ৰফা কৰিব পাৰি তেনে যি কোনো সম্পত্তি হিন্দুৱে উইল বা অন্য ইচ্ছাপত্ৰিত ৰফাকৰণৰ দ্বাৰা ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়ম, ১৯২৫ৰ উপবন্ধসমূহে বা তত্-সাম্প্ৰতিক বলবৎ থকা আৰু হিন্দু সকলত খটা অন্য কোনো বিধি অনুযায়ী ৰফা কৰিব পাৰিব ।

স্পষ্টীকৰণ— মিতাক্ষৰ সহদায়িকী সম্পত্তিত হিন্দু পুৰুষৰ স্বাৰ্থ নাইবা তাৰৱাড, তাবাজী, ইল্লম, কুটুম্ব, বা কাবাৰুৰ সম্পত্তিত তাৰৱাড তাবাজী, ইল্লম, কুটুম্ব বা কাবাৰুৰ সদস্যৰ স্বাৰ্থ এই অধিনিয়ম বা

তত্‌কালীন বলবৎ থকা অন্য কোনো বিধিত যিহকে থাকক লাগে এই ধাৰাৰ অৰ্থৰ ভিতৰত তেওঁ বা তাইৰ দ্বাৰা বেফাকৰণ কৰিব পৰা সম্পত্তি বুলি পৰিগণিত হব ।

## অধ্যায় 4

### নিৰসন

৩১। [নিৰ্বসিত] নিৰসন আৰু সংশোধনী অধিনিয়ম, ১৯৬০ (১৯৬০ ৰ ৫৮) ধাৰা ২ আৰু প্ৰথম অনুসূচীৰ দ্বাৰা নিৰ্বসিত ।

## অনুসূচী

(ধাৰা ৮ চাওঁক)

### শ্ৰেণী ১ আৰু শ্ৰেণী ২ৰ ব্যক্তি সকল

#### শ্ৰেণী—১

পুত্ৰ, কন্যা, বিধৱা পত্নী, মাতা, পূৰ্বমৃত পুত্ৰৰ পুত্ৰ, পূৰ্বমৃত পুত্ৰৰ কন্যা, পূৰ্বমৃত কন্যাৰ পুত্ৰ, পূৰ্বমৃত কন্যাৰ কন্যা, পূৰ্বমৃত বিধৱা পত্নী, পূৰ্বমৃত পুত্ৰৰ পূৰ্বমৃত পুত্ৰৰ পুত্ৰ, পূৰ্বমৃত পুত্ৰৰ পূৰ্বমৃত পুত্ৰৰ কন্যা, পূৰ্বমৃত পুত্ৰৰ পূৰ্বমৃত পুত্ৰৰ কন্যা ।

#### শ্ৰেণী—২

১। পিতা

২। (১) পুত্ৰৰ কন্যাৰ পুত্ৰ, (২) পুত্ৰৰ কন্যাৰ কন্যা, (৩) ভ্ৰাতা, (৪) ভগ্নী ।

৩। (১) কন্যাৰ পুত্ৰৰ পুত্ৰ, (২) কন্যাৰ পুত্ৰৰ কন্যা, (৩) কন্যাৰ কন্যাৰ পুত্ৰ, (৪) কন্যাৰ কন্যাৰ কন্যা ।

৪। (১) ভ্ৰাতাৰ পুত্ৰ, (২) ভগ্নীৰ পুত্ৰ, (৩) ভ্ৰাতাৰ কন্যা, (৪) ভগ্নীৰ কন্যা ।

৫। পিতাৰ পিতা ; পিতাৰ মাতা ।

৬। পিতাৰ বিধৱা পত্নী ; ভ্ৰাতাৰ বিধৱা পত্নী ।

৭। পিতাৰ ভ্ৰাতা ; পিতাৰ ভগ্নী ।

৮। মাতাৰ পিতা ; মাতাৰ মাতা ।

৯। মাতাৰ ভ্ৰাতা ; মাতাৰ ভগ্নী ।

**স্পষ্টীকৰণ—** এই অনুসূচীত ভ্ৰাতা বা ভগ্নীৰ প্ৰতি কৰা উল্লেখ সহোদৰ বক্তৰ দ্বাৰা হোৱা ভ্ৰাতা বা ভগ্নীৰ প্ৰতি কৰা উল্লেখক নাসামৰে ।

—++—

# The Hindu Sucession Act, 1956

## Glossary of Terms

হিন্দু উত্তৰাধিকাৰ অধিনিয়ম, ১৯৫৬

পৰিভাষা

| Reference | English Term | Assamese Equivalent |
|---|---|---|
| S.2 (i) (c) | Law | বিধি। |
| 2 (i) (c) | Custom or usage | প্ৰথা বা ৰীতি। |
| 2 Expl. (a) | Legitimate or Illegitimate | বৈধ বা অবৈধ। |
| 3 (i) Expl (ii) | Ancestor | উপৰিপুৰুষ। |
| 4 (i) (b) | Doubt | সন্দেহ। |
| 4 (2) | Fragmentation | খণ্ডিতকৰণ। |
| 6 | Intestate succession | ইচ্ছাপত্ৰবিহীন উত্তৰাধিকাৰ। |
| ,, | Coparcenary property | সহদায়ী সম্পত্তি। |
| 12 | Agnates | গোত্ৰজসকল। |
| ,, | Cognates | বন্ধুসকল। |
| 14 (i) Expl. | Devise | ইচ্ছাপত্ৰ। |
| 16 | Heir | ৱাৰিচ। |
| 17 | Marumakkattayam | মৰুমাক্কাট্টিয়ম। |
| 25 | Disqualified | অৰ্হতা বৰ্জিত। |
| 26 | Descendants | বংশধৰ। |
| ,, | Convert | ধৰ্মান্তৰ গ্ৰহণকাৰী |
| 29 | Escheat | ৰাজগামিত্ব। |
| 30 | Testamentary disposition | ইচ্ছাপত্ৰিত ৰফাকৰণ। |